**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ডিমা হাছাও জিলাৰ উমৰাংছ’ৰ  তিন কিল’ কয়লাখনিৰ পৰা আজি দিনৰ ভাগত আৰু দুটা মৃতদেহ উদ্ধাৰ কৰাৰ পাছত ঘটনাস্থলীৰ পৰা উদ্ধাৰ হোৱা মৃতদেহৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। আমাৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে জনোৱা মতে দুপৰীয়াৰ ভাগত উদ্ধাৰ হোৱা মৃতদেহ কেইটাৰ এটা কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম আৰক্ষী থানাৰ অন্তৰ্গত মাগেৰ গাওঁৰ ৫৭ বছৰীয়া খুশি মোহন ৰায় আৰু আনটো শোণিতপুৰ জিলাৰ পানবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বাতাচীপুৰৰ ৩৭ বছৰীয়া সুৰক্ষাকৰ্মী শৰৎ গয়াৰীৰ বুলি চিনাক্ত কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আজি পুৱাৰ ভাগত উদ্ধাৰ হোৱা মৃতদেহটো উমৰাংছ’ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ এজন ২৬ বছৰীয়া যুবকৰ বুলি চিনাক্ত কৰা হৈছিল। এতিয়াও খনিটোৰ ধবসংস্তুপৰ মাজত আৱদ্ধ হৈ থকা আন ৫ টা মৃতদেহৰ সন্ধানত  নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ক’ল ইণ্ডিয়াৰ উদ্ধাৰকাৰী বাহিনী আৰু স্থানীয় সহায়কাৰী বাহিনীয়ে আজি ষষ্ঠ দিনাও উদ্ধাৰ অভিযান পূৰ্ণোদ্যমে চলাই আছে।

ইপিনে, লোকসভাত বিৰোধী দলৰ উপ দলপতি তথা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে এই শোকাৱহ ঘটনাৰ তদন্ত বিশেষ অনুসন্ধানকাৰী দলৰ দ্বাৰা কৰোৱাৰ বাবে দাবী জনাই প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ অনুসন্ধানকাৰী দলক অবৈধভাৱে কয়লা খননৰ এই ঘটনা পুংখানুপুংখ ৰূপত তদন্ত কৰাৰ উপৰি ঘটনাৰ সৈতে জড়িত অন্যান্য কাৰকসমূহো চালি-জাৰি চোৱাৰ বাবে আহ্বান জনায়।  ডিমা হাচাও জিলা কংগ্ৰেছ কমিটিয়েও আজি উমৰাংছ’ত  এই ঘটনাৰ প্ৰতিবাদত ধৰ্ণা কাৰ্যসূচী পালন কৰে। শিৱসাগৰ জিলাতো  আজি বিভিন্ন দল সংগঠনে এই ঘটনাৰ প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে উমৰাংছ’ত মৃত্যু হোৱা শ্ৰমিকৰ পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়াৰ লগতে কাৰ্বি আংলং, তিনিচুকীয়াকে ধৰি কেইবাখনো জিলাত চলি থকা অবৈধ কয়লা খনন কাৰ্য বন্ধ কৰাৰ বাবে আহ্বান জনায়।

0000000

চলিত বছৰৰ হজ যাত্ৰাৰ বাবে অসমকে ধৰি বিভিন্ন ৰাজ্যৰ মুঠ তিনি হাজাৰ ছশ ছয়সত্তৰজন আৱেদনকাৰীক অস্থায়ীভিত্তিত অনুমতি দিয়া হৈছে। কেন্দ্ৰীয় হজ কমিটিয়ে  এইবাৰৰ হজৰ বাবে দ্বিতীয়খন অপেক্ষাৰ তালিকা আজি প্ৰকাশ কৰে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই আৱেদনকাৰীসকলে অহা ২৩ জানুৱাৰীৰ পূৰ্বে মুঠ দুই লাখ বাসত্তৰ হাজাৰ তিনিশ টকা  হজৰ ধন জমা দিয়াৰ লগতে এই সন্দৰ্ভত প্ৰয়োজনীয় নথি-পত্ৰ দাখিল কৰিব লাগিব। কেন্দ্ৰীয় হজ কমিটিয়ে এইবাৰ হজ যাত্ৰা কৰিবলগীয়া এক লাখ বাইশ হাজাৰ যাত্ৰীক সুবিধা আগবঢ়াব।

0000000

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অগৰাতলী বনাঞ্চল পৰিদৰ্শন কৰে। কাজিৰঙাৰ আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয় বৈঠকত উপস্থিত থাকি পৰৱৰ্তী ৫ বছৰত দেশৰ আভ্যন্তৰীণ জলপথৰ বিকাশৰ বাবে ৫০ হাজাৰ কোটিতকৈও অধিক টকা বিনিয়োগ কৰা হ’ব বুলি তেওঁ সদৰি কৰে। লগতে মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় জলপথৰ পাৰত বসবাস কৰি থকা লোকসকলৰ জীৱন-যাপনৰ মান উন্নত কৰাৰ বাবে আন্তঃগাঁথনিৰ বিকাশ, বাণিজ্য আৰু পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে দক্ষতা বৃদ্ধিৰ বাবে তথা নৈপৰীয়া লোকসকলৰ নদী সম্পৰ্কীয় পৰম্পৰাগত জ্ঞান বঢ়োৱাৰ বাবে নদীকেন্দ্ৰিক জনগণৰ হকে সামূহিক উন্নয়ন আঁচনি গ্ৰহণ কৰা হৈছে। সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে। ডঃ শৰ্মাই ২০৪৭

চনৰ বিকশিত ভাৰত গঢ়ি তোলাৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহ প্ৰশংসনীয় বুলি নিজৰ ভাষণত উল্লেখ কৰে।

০০০০০০০

শোণিতপুৰ জিলা প্ৰশাসনে বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৬ নম্বৰ সংযোজিত অঞ্চল আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানত মাঘ বিহু উপলক্ষে সমুহীয়া মাছ ধৰা কাৰ্য নিষিদ্ধ কৰিছে। জিলা দণ্ডাধীশ অংকুৰ ভড়ালীয়ে বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ আৰু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰিছে। উদ্ভিদ আৰু বন্য প্ৰাণী সুৰক্ষাৰ বাবে এই অভয়াৰণ্যসমূহত যিকোনো ধৰণৰ সামুহিক কাৰ্যকলাপ, ৫ জন বা **ততোধিক** লোকৰ উপস্থিতি আৰু মাছধৰা কাৰ্য নিষিদ্ধ কৰা হৈছে। এই আদেশ পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত বাহাল থাকিব। আদেশ উলংঘা কৰা লোকক আইনৰ অধীনত শাস্তি প্ৰদান কৰা হব বুলিও জিলা প্ৰশাসনে সতৰ্ক কৰি দিছে।

০০০০০০০

অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ সময়ত ডিব্ৰুগড় আঞ্চলিক চিকিৎসা গৱেষণা কেন্দ্ৰই আজি এটি দহমহীয়া শিশুৰ দেহত এইচ এম পি ভাইৰাছৰ অৱস্থিতি ধৰা পেলায়। উল্লেখযোগ্য যে দেশৰ একাধিক ৰাজ্যত হিউমেন মেটানিউমো ভাইৰাছ চমুকৈ এইচ এম পি ভিত আক্ৰান্ত লোক চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য মন্ত্ৰালয়ে ব্যাপক সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

**সমাপ্ত**